# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-03-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - -**

ৰাজ্য চৰকাৰে অহা ১৯ মাৰ্চত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩ লাখ ৮০ হাজাৰ হিতাধিকাৰীলৈ গৃহ নিৰ্মাণৰ বাবে প্ৰথমটো কিস্তিৰ ধন বেংকযোগে হস্তান্তৰ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি কয়, যে কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে তেওঁৰ শেহতীয়া অসম ভ্ৰমণৰ সময়ত চলিত বৰ্ষত ৰাজ্যখনত ৩ লাখ ৬০ হাজাৰ নতুন আৱাসৰ বাবে মঞ্জুৰী দিয়াৰ কথা ঘোষণা কৰিছিল। এই আঁচনিৰ বাবে পূৰ্বে নিৰ্ধাৰিত অপেক্ষাৰত হিতাধিকাৰীৰ তালিকাত ৭ লাখ ৬০ হাজাৰ লোকৰ নাম অন্তৰ্ভুক্ত হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ পৰৱৰ্তী সময়ত অহা এপ্ৰিল- মে’ মাহত আৰু ৩ লাখ ৮০ হাজাৰ হিতাধিকাৰীক এই আঁচনিৰ ধন প্ৰদানৰ ব্যৱস্থা কৰা হ’ব। ইয়াৰ ফলত ৰাজ্যখনত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩০ লাখ হিতাধিকাৰীক ঘৰ প্ৰদানৰ লক্ষ্য প্ৰাপ্তি হ’ব। এই আঁচনিৰ অধীনত এতিয়ালৈকে ২২ লাখ হিতাধিকাৰীয়ে ঘৰ লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমত উপস্থিত হ’ব। অসম ভ্ৰমণকালত শ্ৰীশ্বাহে নিখিল বড়ো ছাত্ৰ সন্থা এবছুৰ বাৰ্ষিক সন্মিলনসহ কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰীশ্বাহে পৰহিলৈ দেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। পাছত তেওঁ দেৰগাঁৱৰ পৰা মিজোৰামলৈ যাব। তাত মন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখাওছঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল’ব। যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছে বাহিনীটোৰ ঘাটি আইজলৰ পৰা জোখাওছঙলৈ স্থানান্তৰিত কৰাৰ বাবে চুক্তি সম্পাদন কৰিছিল।

ইয়াৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী মিজোৰামৰ পৰা পোনে পোনে গুৱাহাটীত উপস্থিত হ’ব। শ্ৰীশ্বাহে ১৬ মাৰ্চত কোকৰাঝাৰৰ দোতমাত হ’বলগীয়া এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব আৰু উত্তৰ-পূৰ্বাঞ্চলত নতুন ফৌজদাৰী আইন তিনিখনৰ ৰূপায়ণ সন্দৰ্ভত গুৱাহাটীত আয়োজিত এখন পৰ্যালোচনা বৈঠকত মিলিত হ’ব। ইয়াৰ পাছত তেওঁ নতুন দিল্লীলৈ উভতি যাব।

০০০০০

ৰাজ্যৰ প্ৰান্ত প্ৰান্তে আজিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে দৌল উৎসৱৰ উদযাপন কৰা হৈছে। পৰস্পৰক আবিৰৰ ৰং সানি ফাকুৱা উদযাপন কৰিবলৈও সকলো সাজু হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা

সত্ৰৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে দৌল উৎসৱক কেন্দ্ৰ কৰি উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। বৰপেটা সত্ৰত আজি সন্ধিয়া গন্ধযাত্ৰাৰে দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছে। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। ওড়িশাৰ পৰা হোলী গীতৰ দল, মণিপুৰী সাংস্কৃতিক দল, আদিবাসী সাংস্কৃতিক দলৰ লগতে বিভিন্ন স্থানীয় শিল্পীৰ গীত পৰিৱেশনেৰে সত্ৰ নগৰীখন প্ৰাণ চঞ্চল হৈ উঠিছে। আজি বৰপেটাৰ ৰাজ পথত হোলী গীতৰ মুকলি প্ৰতিযোগিতা অনুষ্ঠিত হয়।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। আজি নিশা মেষদাহ পৰ্বৰে এই উৎসৱৰ আৰম্ভণি হ'ব। ১৭ মাৰ্চত উৎসৱৰ সামৰণি পৰিব।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰত আজিৰে পৰা তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হৈছে। আজি গন্ধযাত্ৰাৰ লগতে সত্ৰৰ চৌহদত সাজি উলিওৱা ভেলাঘৰত অগ্নিসংযোগ কৰি ৰাইজৰ মংগল কামনা কৰা হ'ব। কাইলৈ গোসাঁইৰ সন্মুখত নাম প্ৰসংগ আৰু পৰিহলৈ গোসাঁইক লৈ শোভাযাত্ৰা কৰা হ'ব।

গোৱালপাৰা জিলাতো দৌল উৎসৱ উপলক্ষে জনসাধাৰণৰ মাজত আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত আজিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হৈছে। গোৱালপাৰাৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ কেৰলীয়া হাঁটী সত্ৰত আজি অধিবাস আৰু সান্ধ্য কীৰ্তনেৰে ৫ দিনীয়া দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰিতো ফাকুৱাৰ বাবে প্ৰস্তুতি চলিছে। বজাৰসমূহ বিভিন্ন ৰং আৰু ফিচকাৰীৰে ভৰি পৰিছে। বাক্সা জিলাৰ জেংৰেংপাৰাত আজিৰে পৰা ৫ দিনীয়াকৈ দৌল উৎসৱ উদযাপন কৰা হ'ব।

০০০০০

গুৱাহাটী বাৰ কাউন্সিলৰ সহযোগত উকিল সন্থাই আজি মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত চৌহদৰ প্ৰেক্ষাগৃহত **নতুন ফৌজদাৰী আইন - ইয়াৰ লক্ষ্য আৰু প্ৰত্যাহ্বান** শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত কৰে। গুৱাহাটী উকিল সন্থাৰ সভাপতি বিৰাজ কুমাৰ চৌধুৰীৰ সভাপতিত্বত আয়োজিত আলোচনা চক্ৰখনত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়া নৱপ্ৰজন্মৰ অধিবক্তাসকলক উদ্দেশ্যি বহু গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। ন্যায়াধীশগৰাকীয়ে আইনী শিক্ষা গ্ৰহণ কৰাটো এটা নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া বুলি উল্লেখ কৰি যুৱ অধিবক্তাসকলক গভীৰভাৱে অধ্যয়নশীল হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা বিজন কুমাৰ মহাজনে নতুনকৈ কাৰ্যকৰী হোৱা তিনিখন নতুন ফৌজদাৰী আইন - ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম সন্দৰ্ভত বিশদভাৱে ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰীয় আইন একাডেমীৰ অধ্যাপক ড০ আমোল দেৱ চবনে নতুন আইনকেইখনৰ আঁৰৰ দৰ্শন সন্দৰ্ভত আলোকপাত কৰে।

০০০০০

সমাপ্ত